**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-09-2025
**Time :** 1715 HRS

***Assamese Evening Bulletin***
**Headlines**
------------------
০০০০০

১।	মুখ্যমন্ত্ৰীৰ আত্ম-নিৰ্ভৰ অসম অভিযানৰ প্ৰথম আৰু দ্বিতীয় পৰ্য্যায়ৰ অধীনত আৰ্থিক সাহায্য বিতৰণ।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে দেশজুৰি সেৱা সমৰ্পণ মাহৰ আয়োজন।

৩।	নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ পৰীক্ষা।

*আৰু*

৪।	অসম আৰক্ষীৰ সীমান্ত শাখাৰ অভিযানত ২৭ জন বাংলাদেশী নাগৰিক আটক।

০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ অধীনত আজি হিতাধিকাৰীসকলৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হয়। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই এই অভিযানৰ অধীনত মুঠ ৮২ হাজাৰ ২১৯ গৰাকী যুৱ উদ্যোগীৰ মাজত ২৭৮ কোটিৰো অধিক টকাৰ সাহায্য বিতৰণ কৰে। ড০ শৰ্মাই যুৱ শক্তিক আত্মনিৰ্ভৰ অসমৰ আটাইতকৈ বৃহৎ শক্তি বুলি উল্লেখ কৰি তেওঁলোকক নিজৰ লগতে আনকো সংস্থাপিত কৰাৰ বাবে উৎসাহিত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ যুৱ শক্তিৰ অন্তৰত অপাৰ সাহস, সামৰ্থ্য আৰু অসীম সম্ভাৱনা লুকাই আছে। চৰকাৰে প্ৰদান কৰা অনুদানেৰে যুৱক-যুৱতীসকলে নিজকে সফল উদ্যোগী হিচাপে প্ৰতিষ্ঠা কৰি সফলতাৰ কাহিনী সমাজত বিলাই দিবলৈ আহ্বান জনায়। যুৱচামৰ প্ৰতিটো সফলতাই অসমত ইতিবাচক পৰিৱৰ্তনৰ নতুন অধ্যায়ৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যত ঔদ্যোগিক পৰিবেশ নিৰ্মাণৰ বাবে চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে যুৱ উদ্যমীসকলক অসমত স্থাপন হোৱা বৃহৎ উদ্যোগসমূহৰ বাবে প্ৰয়োজনীয় কেঁচামাল উৎপাদনত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

বাইট (চি এম)

কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম অভিযান আঁচনিৰ অধীনত আজি ৬৮৭ গৰাকী হিতাধিকাৰীক চেক বিতৰণ কৰা হয়। বকোৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত আয়োজিত সভাত বকো-ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেচ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

শিৱসাগৰ সমষ্টিৰ দুহেজাৰ ২১৫গৰাকী হিতাধিকাৰীৰ মাজতো আজি চেক বিতৰণ কৰা হয়। জিলা আয়ুক্ত মৃদুল যাদৱৰ উপস্থিতিত শিৱসাগৰ বিশ্ববিদ্যালয়ত আয়োজিত অনুষ্ঠানত এহেজাৰ ৮৩০গৰাকী হিতাধিকাৰীক ২৫ হাজাৰ টকাকৈ প্ৰাথমিক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। তদুপৰি প্ৰথম পৰ্যায়ত নিৰ্বাচিত ৩৮৫গৰাকী হিতাধিকাৰীক ১ লাখ টকাকৈ অনুদান প্ৰদান কৰা হয়।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অভিযানৰ অধীনত কোকৰাঝাৰৰ বডোফা সাংস্কৃতিক প্ৰকল্পত ৪৮৭গৰাকী হিতাধিকাৰীৰ মাজত চেক বিতৰণ কৰা হয়। ইপিনে ৩ হাজাৰ ১৮৬গৰাকী যুৱ উদ্যোগীক এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ২৫ হাজাৰ টকাকৈ বিতৰণ কৰা হয়।

বজালী সমষ্টিৰ নিৰ্বাচিত হিতাধিকাৰীসকলক পাঠশালাৰ হৰিমন্দিৰত আয়োজিত এটা অনুষ্ঠানত আৰ্থিক সাহায্য বিতৰণ কৰা হয়। অনুষ্ঠানত বজালীৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে যুৱক-যুৱতীসকলক উদ্যোগ, কৃষি, পশুপালন আৰু মীন পালনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিভিন্নজনে নেতাগৰাকীক শুভেচ্ছা জনাইছে। শ্ৰীমোদীৰ গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ মুঠ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। এই উপলক্ষে দেশৰ প্ৰান্তে প্ৰান্তে সেৱা সংকল্প অভিযানৰ অধীনত ভালেসংখ্যক কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটত এটা মটৰ চাইকেল সমদল উলিয়ায়। প্ৰধানমন্ত্ৰী মোদীৰ সংসদীয় সমষ্টি বাৰাণসীতো এই উপলক্ষে বাৰেৰহণীয়া কাৰ্যসূচী  গ্ৰহণ কৰা হৈছে। দিল্লী চৰকাৰে সেৱা সমৰ্পণ মাহৰ শুভাৰম্ভণি উপলক্ষে আজি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজিৰে পৰা অহা ১৭ অক্টোবৰলৈ কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই নেতাগৰাকীক শুভেচ্ছা জনাই ৰাজ্যবাসীক এগছিকৈ বন্তি জ্বলাবলৈ আহ্বান জনাইছে।

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা **সেৱা সমৰ্পণ মাহ**ৰ অংশস্বৰূপে তামুলপুৰ, শিৱসাগৰ, বৰপেটা, যোৰহাট আৰু পশ্চিম কাৰ্বি আংলং জিলাতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই কাৰ্য্যসূচীৰ অংশ হিচাপে সন্ধিয়া সাত বজাত প্ৰধানমন্ত্ৰী আৱাস যোজনা, অৰুণোদয়, আত্ম-সহায়ক গোট, ৰেচন কাৰ্ডকে ধৰি বিভিন্ন চৰকাৰী জনকল্যাণমূলক আঁচনিৰ হিতাধিকাৰীসকলৰ লগতে চৰকাৰী কাৰ্য্যালয় আৰু চৰকাৰী বাসগৃহত এগছিকৈ বন্তি প্ৰজ্বলন কৰিবলৈ আহ্বান কৰা হৈছে। বন্তিগছ জনকল্যাণমূলক আঁচনিসমূহে ৰাজ্যৰ লাখ লাখ পৰিয়াললৈ কঢ়িয়াই অনা সন্মান, নিৰাপত্তা আৰু আশাৰ প্ৰতীক বুলি অভিহিত কৰা হৈছে।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হৈছে। এই নিৰ্বাচনৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীয়ে ৩৫ খন মনোনয়ন দাখিল কৰিছে। ইচ্ছুক প্ৰাৰ্থীসকলে পৰহিলৈৰ ভিতৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ দেৱাশীষ শৰ্মা, কংগ্ৰেছৰ শিৱামণি বৰা, এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমল আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল চালাম অন্যতম। মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিনা বিজেপিৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাই দলীয় নেতা-কৰ্মীক লগত লৈ নগাঁও জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ সৈতে মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি

শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰে। মনোনয়ন দাখিলৰ পাছত বিজেপি প্ৰাৰ্থীগৰাকীয়ে আজি অঞ্চলটোৰ বিভিন্ন ঠাইত অনানুষ্ঠানিকভাৱে নিৰ্বাচনী প্ৰচাৰ চলায়।

কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে। কংগ্ৰেছৰ সভাপতিগৰাকীয়ে এই নিৰ্বাচনক লৈ আশাবাদী বুলি প্ৰকাশ কৰে।

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰে। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিয়ে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্দিয়াৰ বিধায়ক চেৰমান আলী আহমেদ উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

ooooo

অসম আৰক্ষীৰ সীমান্ত শাখাই অভিযান চলাই ২৭জন বাংলাদেশী নাগৰিকক আটক কৰিছে। সীমান্ত আৰক্ষীয়ে গুৱাহাটীৰ পল্টন বজাৰৰ পৰা ১২জন আৰু ৰে'ল আৰক্ষীৰ সহযোগত বঙাইগাঁৱৰ পৰা ১৫জন বাংলাদেশী লোকক আটক কৰে। এই সন্দৰ্ভত আজি এখন সংবাদ মেলত সীমান্ত শাখাৰ উপ-আৰক্ষী অধীক্ষক কুলেন্দ্ৰ প্ৰসাদ ডেকাই কয় যে মেঘালয়ৰ ডাউকীৰ পৰা বাংলাদেশী লোকৰ এটা দল গুৱাহাটীলৈ অহাৰ তথ্য লাভ কৰাৰ পাছতে আৰক্ষীয়ে অভিযান চলাই পল্টন বজাৰৰ অসম ৰাজ্যিক পৰিবহন নিগমৰ চৌহদৰ পৰা কালি প্ৰথমে ১২জনক আটক কৰে। দলটোৰ বাকীকেইজন লোকে ৰে'লেৰে যাত্ৰা কৰা বুলি তথ্য পোৱাৰ পাছত ৰে'ল আৰক্ষীৰ সহযোগত জম্মু-টাৱে এক্সপ্ৰেছ ৰে'লগাড়ীৰ পৰা ১৫জন লোকক আটক কৰা হয়। আটক কৰা লোককেইজনৰ ভিতৰত ১১গৰাকী মহিলা আৰু ১৬জন পুৰুষ আছে বুলি উপ-আৰক্ষী আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

বাইট (উপ-আৰক্ষী আয়ুক্ত)

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালনৰ অংশহিচাপে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচী আৰম্ভ হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত আজিৰেপৰা এই দিৱস পালন কৰা হৈছে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে আজি জুবিন ক্ষেত্ৰত আয়োজিত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত অংশগ্ৰহণ কৰে। জুবিন দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে কাইলৈ সাংস্কৃতিক অনুষ্ঠান, পৰহিলৈ গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনাৰ ব্যৱস্থা কৰা হৈছে।

ooooo

সমাপ্ত